**2018**

# ASSAMESE

## ASM : 1.01

## HISTORY OF ASSAMESE LITERATURE

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ ১x১০=১০

ক) "কমতামণ্ডল দুৰ্লভনাৰায়ণ নৃপবৰ অনুপাম" এই আত্মপৰিচয়সূচক পদটো কোনজন প্ৰাক্‌শংকৰীযুগৰ কবিয়ে ৰচনা কৰিছিল।

খ) কবিৰত্ন সৰস্বতীৰ পিতৃৰ নাম কি?

গ) হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক ৰজাজন কোন?

ঘ) শংকৰী যুগৰ কোনজন কবিয়ে 'জয়দেৱ' কাব্য ৰচনা কৰিছিল?

ঙ) 'ৰাজসূয়কাব্য' কাৰ ৰচনা?

চ) খুদীয়া সত্ৰৰ প্ৰতিষ্ঠাতা বুলি খ্যাত গোপাল মিশ্ৰৰ নামঘোষা শ্ৰেণীৰ গ্ৰন্থখনৰ নাম কি?

ছ) কোন চনত 'জোনাকী' কাকত প্ৰকাশ হয়?

জ) 'নিধিৰাম ফাৰৱেল'ৰ প্ৰকৃত নাম কি?

ঝ) 'ভোটৰ দেশৰ বিৱৰণ' প্ৰৱন্ধটি কোনখন কাকতত প্ৰকাশিত হৈছিল?

ঞ) 'বাঁহীৰ মাত' কবিতাটো কাৰ ৰচনা?

২. চমুকৈ উত্তৰ লিখা ২x৫=১০

ক) চৰিত পুথি আৰু গদ্য সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ বুলি কোন খিনি সময়ক কোৱা হয়?

খ) চৰিত পুথিৰ শ্ৰেণী দুটা কি কি?

গ) ভট্টদেৱৰ যিকোনো দুখন গ্ৰন্থৰ নাম উল্লেখ কৰা।

ঘ) 'অৰুণোদয়'ৰ দুগৰাকী লেখকৰ নাম লিখা।

ঙ) সাম্প্ৰতিক কালত গল্প সাহিত্যত বিশেষ গুৰুত্ব প্ৰদান কৰা যিকোনো দুখন আলোচনীৰ নাম লিখ।

৩. চমুটোকা লিখা (যিকোনো দুটা) ৫x২=১০

ক) ৰামচৰণ ঠাকুৰ

খ) বৰগীত

গ) ৰঘুনাথ চৌধাৰী

ঘ) ৰামধেনু আলোচনী

৪. প্ৰাক্‌শংকৰী যুগৰ কবি 'হেমসৰস্বতী'ৰ পৰিচয় প্ৰদান কৰি তেখেতৰ সাহিত্যকৃতিৰ বিষয়ত আলোকপাত কৰা। ৭

অথবা

ৰোমান্টিক সাহিত্যৰ লক্ষণ সম্পৰ্কে সকলো দিশ সামৰি এটা প্ৰবন্ধ যুগুত কৰা।

৫. ভট্টদেৱৰ চমু পৰিচয় দি তেখেতৰ সাহিত্যকৃতি সম্পৰ্কে বিৱৰি লিখা। ৭

অথবা



'জোনাকী' কাকতত প্ৰকাশিত জীৱনী সাহিত্যৰ বিষয়ে এটি আলোচনা যুগুত কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ১২x৩=৩৬

৬) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিক কিয় শ্ৰেষ্ঠ কবি বুলি আখ্যা দিয়া হয়? মাধৱ কন্দলিৰ অনুদিত ৰামায়ণৰ আধাৰত কবিজনাৰ কাব্যপ্ৰতিভাৰ মূল্যায়ন কৰা।

৭) মাধৱদেৱৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা আগবঢ়াই তেখেতৰ ৰচনাশৈলী সম্পৰ্কে এক চিত্তাকৰ্ষক প্ৰৱন্ধ যুগুত কৰা।

৮) শংকৰোত্তৰ যুগৰ যিকোনো তিনিজন কবিৰ পৰিচয় প্ৰদান কৰি তেখেত সকলৰ সাহিত্যকৃতি সম্পৰ্কে এক আলোচনা আগবঢ়োৱা।

৯) "অৰুণোদয় যুগৰ আৰম্ভণিয়ে কেলঢোপ কেলঢোপকৈ জীয়াই থকা অসমীয়া মানুহখিনিক পোহৰৰ সন্ধান দিলে।" এই উক্তিৰ আধাৰত অৰুণোদয় যুগৰ ঐতিহাসিক পটভূমি সম্পৰ্কে সকলো দিশ সামৰি এটা প্ৰৱন্ধ যুগুত কৰা।

১০) অসমীয়া কবিতাৰ ইতিহাস নিৰ্মাণত প্ৰাক্‌স্বাধীন যুগৰ কবিগোষ্ঠীৰ অৱদান সম্পৰ্কে বুজাই লিখা।

..............................